# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-04-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আত্মনিৰ্ভৰ ভাৰত সহ উৎপাদন, সহ বিকাশ আৰু সহ উদ্ভাৱণৰ মুকলি আমন্ত্ৰণ বুলি প্ৰকাশ কৰিছে।

২। তামিলনাডুৰ ২৪৩ খন আসনৰ লগতে পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কাইলৈ ১৫২টা সমষ্টিত কাইলৈ ভোটগ্ৰহণ কৰা হ'ব।

৩। উত্তৰাখণ্ডৰ ৰুদ্ৰপ্ৰয়াগ জিলাত অৱস্থিত কেদাৰনাথ ধামৰ দ্বাৰ আজি ভক্তৰ বাবে খোলা হ'ব।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰাণৰ সৈতে যুদ্ধবিৰতি অনিৰ্দিষ্ট কাললৈ বৃদ্ধিৰ কথা ঘোষণা কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা ছানৰাইজাৰ্ছ হায়দৰাবাদে ডেলহি কেপিটেলছক ৪৭ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আত্মনিৰ্ভৰ ভাৰত সহ উৎপাদন, সহ বিকাশ আৰু সহ উদ্ভাৱণৰ মুকলি আমন্ত্ৰণ বুলি প্ৰকাশ কৰিছে। তিনিদিনীয়া জাৰ্মানী ভ্ৰমণৰ কালি প্ৰথম দিনা দেশখনৰ সংসদৰ প্ৰতিৰক্ষা আৰু সুৰক্ষা বিষয়ক স্থায়ী কমিটীক উদ্দেশ্যি ভাষণ দি শ্ৰীসিঙে কয়, যে সমগ্ৰ বিশ্ব সম্প্ৰতি নতুন সুৰক্ষা ভাবুকিৰ সন্মুখীন হৈ আৰু প্ৰযুক্তিৰ পৰিৱৰ্তনে পৰিস্থিতি অধিক জটিল কৰি তুলিছে। তেওঁ কয়, যে পৰিৱৰ্তিত পৰিস্থিতি অনুযায়ী নতুন দৃষ্টিভংগী গ্ৰহণ কৰাটো সময়ৰ আহ্বান হৈ পৰিছে। ভাৰত আৰু জাৰ্মানীৰ মাজত প্ৰতিৰক্ষা উদ্যোগ খণ্ডত সহযোগিতা বৃদ্ধিৰ পোষকতা কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বই ভাৰতৰ প্ৰতিৰক্ষা খণ্ডত অভূতপূৰ্ব পৰিৱৰ্তন হৈছে আৰু জাৰ্মানীৰ উদ্যোগ খণ্ডৰ সৈতে বৰ্ধিত সহযোগিতাৰ পৰা উভয় দেশ উপকৃত হ'ব পাৰে। শ্ৰীসিঙে কয়, যে ভাৰত আৰু জাৰ্মানীয়ে অকল কৌশলগত সহযোগীয়েই নহয় বৰং সাম্প্ৰতিক সময়ৰ গোলকীয় ঘটনাক্ৰমৰ দিশৰ পৰাও প্ৰভাৱশালী কণ্ঠ।

ভ্ৰমণকালত শ্ৰীসিঙে উভয় দেশৰ মাজৰ কৌশলগত প্ৰতিৰক্ষা সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰী বৰিছ পিষ্ট'ৰিয়াছ আৰু অন্য জ্যেষ্ঠ নেতাসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। ভ্ৰমণকালত প্ৰতিৰক্ষা উদ্যোগিক সহযোগিতা ৰূপৰেখা আৰু ৰাষ্ট্ৰসংঘৰ শান্তি ৰক্ষা অভিযানৰ প্ৰশিক্ষণ সন্দৰ্ভত কেইবাখনো চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে।

ooooo

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কাইলৈ ৰাজ্যখনৰ ১৬ খন জিলাৰ ১৫২টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। সমষ্টিকেইটাত এহেজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰ ভিতৰত ১৬৭ গৰাকী মহিলা আছে। নিৰ্বাচন আয়োগে মুক্ত, নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ৪৪ হাজাৰ ৩৭৬টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে ভিতৰত ৫ হাজাৰ ৪৪৪টা ভোটগ্ৰহণ কেন্দ্ৰ অকল মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। আটাইকেইটা ভোটগ্ৰহণ কেন্দ্ৰতে ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে।

ৰাজ্যখনত অহা বুধবাৰে দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব।

তামিলনাডুত কাইলৈ ২৪৩ খন বিধানসভা আসনৰ বাবে একেটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। এইবাৰৰ নিৰ্বাচনত ৰাজ্যখনৰ ৫ কোটি ৭৩ লাখ ৪৩ হাজাৰৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব।

ooooo

চীফ অব্ ডিফেন্স ষ্টাফ, জেনেৰেল অনিল চৌহানে প্ৰতিৰক্ষা খণ্ডত সহযোগিতা বৃদ্ধিৰ বিষয়টোত গুৰুত্ব প্ৰদান কৰি ব্ৰিটেইনৰ প্ৰতিৰক্ষা উদ্যোগৰ নেতাসকলক সাক্ষাৎ কৰে। চি ডি এছ্-এ গুৰুত্ব আৰোপ কৰে যে, অৰ্থনৈতিক সংহতিৰ ফলত প্ৰতিৰক্ষা উৎপাদন, প্ৰযুক্তি হস্তান্তৰ আৰু শক্তিশালী যোগান শৃংখলাৰ বাবে সহযোগিতা সম্ভৱ হ'ব। তেওঁ লগতে কয়, যে প্ৰতিৰক্ষা ঔদ্যোগিক সহযোগিতাই জটিল প্ৰযুক্তিৰ সহ ডিজাইন, সহ বিকাশ আৰু সহ উৎপাদন বৃদ্ধি কৰিব। ইয়াৰ আগেয়ে শ্ৰীচৌহানে ব্ৰিটেইনৰ কনষ্টিটিউচন হিলৰ মেম'ৰিয়েল গেটছ্‌ত মাল্যাৰ্পন কৰি শ্বহীদ জোৱানসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁলোকৰ অদম্য সাহস আৰু ত্যাগৰ প্ৰতি সন্মান জনায়। জেনেৰেল চৌহানে ব্ৰিটেইনৰ ভাৰত-প্ৰশান্ত মহাসাগৰীয় ৰাজ্যমন্ত্ৰী সীমা মালহোত্ৰাকো সাক্ষাৎ কৰে। তেওঁ লগতে ভাৰতীয় পৰিৱৰ্তন-প্ৰত্যাহ্বান আৰু সুযোগৰ আগশাৰীৰ বিষয়া, বিশেষজ্ঞ আৰু বুদ্ধিজীৱীসকলৰ সৈতে এক গোলকীয় মেজমেলতো নেতৃত্ব দিয়ে। এয়া হৈছে এজন ভাৰতীয় চি ডি এছ্‌ৰ ব্ৰিটেইনলৈ প্ৰথমটো আনুষ্ঠানিক ভ্ৰমণ।

ooooo

উত্তৰাখণ্ডৰ ৰুদ্ৰপ্ৰয়াগ জিলাত অৱস্থিত কেদাৰনাথ ধামৰ দ্বাৰ আজি ভক্তৰ বাবে খোলা হ'ব। জিলা দণ্ডাধীশ বিশাল মিশ্ৰাই কৈছে, যে জিলা প্ৰশাসনে যাত্ৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

বদ্ৰীনাথ ধামৰ দ্বাৰ কাইলৈ ভক্তৰ বাবে খোলা হ'ব। জিলা আৰু আৰক্ষী প্ৰশাসনে নিৰাপদ যাত্ৰা সুনিশ্চিত কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰাণৰ সৈতে যুদ্ধবিৰতি অনিৰ্দিষ্ট কাললৈ বৃদ্ধিৰ কথা ঘোষণা কৰিছে। তেওঁ কালি কয়, যে দুয়োখন দেশৰ মাজত শান্তি আলোচনা অব্যাহত ৰখাৰ স্বাৰ্থত এই পদক্ষেপ লোৱা হৈছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে সামাজিক মাধ্যম যোগে কয়, যে পাকিস্তানৰ অনুৰোধ মৰ্মে, এই সিদ্ধান্ত লোৱা হৈছে। তেওঁ লগতে ইৰাণে যেতিয়ালৈকে কোনো পৰস্পৰৰ বাবে গ্ৰহণযোগ্য প্ৰস্তাৱ উত্থাপন নকৰে, তেতিয়ালৈকে দেশখনৰ বন্দৰসমূহৰ অৱৰোধ অব্যাহত থাকিব। অৱশ্যে ট্ৰাম্পৰ এই ঘোষণা একপক্ষীয় বুলি কোৱা হৈছে। ইৰাণ আৰু ইজৰাইলে যুদ্ধ বিৰতিৰ ম্যাদ বৃদ্ধিৰ বাবে সন্মতি প্ৰকাশ কৰিব নে নাই সেই বিষয়ে এতিয়ালৈকে জানিব পৰা হোৱা

নাই। ইৰাণৰ তৰফৰ পৰা এই সন্দৰ্ভত কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া লাভ কৰা হোৱা নাই যদিও তছনিম নিউজ এজেন্সীয়ে প্ৰকাশ কৰা মতে, ইৰাণে যুদ্ধবিৰতিৰ ম্যাদ বৃদ্ধি কৰাৰ বাবে দাবী জনোৱা নাই আৰু অৱৰোধ বলপূৰ্বক ভংগ কৰাৰ ভাবুকি দোহাৰিছে। উল্লেখযোগ্য যে, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰাণৰ মাজৰ দুসপ্তাহৰ যুদ্ধবিৰতিৰ ম্যাদ আজি পুৱা সমাপ্ত হোৱাৰ কথা আছিল।

ooooo

আমেৰিকাই ইৰাণৰ শাসন ব্যৱস্থাৰ বাবে অস্ত্ৰ-শস্ত্ৰ আৰু উপাদান ক্ৰয় আৰু পৰিবহণৰ সৈতে জড়িত নেটৱৰ্কক লক্ষ্য কৰি ইৰাণৰ সৈতে জড়িত ১৪ জন ব্যক্তি, প্ৰতিষ্ঠান আৰু বিমানৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছে। এই পদক্ষেপৰ কথা ঘোষণা কৰি আমেৰিকাৰ ট্ৰেজাৰী অফিচ অৱ্ ফৰেইন এচেটছ ক'ণ্ট্ৰলে কয়, যে নিযুক্তি দিয়াসকল ইৰাণ, তুৰস্ক আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ ইউ এ ইৰ এই নিষেধাজ্ঞাৰ লক্ষ্য হৈছে ইৰাণৰ সামৰিক সামৰ্থক সমৰ্থন কৰা যোগান ব্যৱস্থাত ব্যাঘাত জন্মোৱা। কোষাগাৰৰ সূত্ৰ মতে, আমেৰিকাই ইৰানৰ বেলিষ্টিক মিছাইলৰ মজুত ক্ষতি কৰাৰ প্ৰয়াস অব্যাহত ৰখাৰ সময়তে এই পদক্ষেপ গ্ৰহণ কৰিছে। বিষয়াসকলে কয়, যে ২০২৫ চনৰ ২৭ ছেপ্তেম্বৰত ৰাষ্ট্ৰসংঘই ইৰানৰ বিৰুদ্ধে পুনৰ নিষেধাজ্ঞা আৰোপ কৰাৰ পিছত আমেৰিকাৰ কোষাগাৰ বিভাগে জাৰি কৰা নিৰস্ত্ৰীকৰণ সম্পৰ্কীয় প্ৰতিবন্ধকতাৰ পঞ্চমটো ৰাউণ্ড।

ooooo

জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ আজি এবছৰ সম্পূৰ্ণ হৈছে। যোৱা বছৰ আজিৰ দিনটোতে পেহেলগামত সন্ত্ৰাসবাদীয়ে ২৬ জন নিৰীহ লোকক হত্যা কৰিছিল। ইয়াৰে ভিতৰত অধিকাংশই পৰ্যটক আছিল।

পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰত ভাৰতীয় সেনাই যোৱা বছৰ ৬ আৰু ৭ মে'ৰ নিশা অপাৰেছন সিন্দূৰ আৰম্ভ কৰিছিল আৰু এই অভিযানত পাকিস্তানত থকা সন্ত্ৰাসবাদী কেইবাটাও ঘাটি ধ্বংস কৰা হৈছিল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও শুকুৰবাৰৰ ভিতৰত নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ডেলহি কেপিটেলছক ৪৭ ৰানত পৰাস্ত কৰে। ডেলহি কেপিটেলছে ২৪৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৯৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। ডেলহি কেপিটেলছৰ হৈ নীতিশ

ৰাণাই সৰ্বাধিক ৫৭ ৰান কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ঈশান মাংলিগাই চাৰিটা আৰু হৰ্ষ ডুবেই ৩টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেটৰ বিনিময়ত ২৪২ ৰান কৰে। হায়দৰাবাদৰ হৈ অভিষেক শৰ্মাই ১৩৫ ৰান কৰি আউট নোহোৱাকৈ থাকে।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ ৰাজস্থান ৰয়েলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ  পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত আৰম্ভ হ'ব। দক্ষিণ আফ্ৰিকাই প্ৰথম দুখন খেলত জয়লাভ কৰি শৃংখলাত আগবাঢ়ি আছে। ভাৰতীয় মহিলা ক্ৰিকেট দলে ছন্দ ঘূৰাই অনাৰ বাবে সংঘৰ্ষ কৰি আছে। দলটোৱে আজিৰ খেলখনত জয়লাভ কৰি শৃংখলাত বৰ্তি ৰখাৰ চেষ্টা চলাব। এই শৃংখলাৰ চতুৰ্থখন খেল শনিবাৰে জোহান্সবাৰ্গত আৰু পঞ্চম তথা অন্তিমখন খেল ২৭ এপ্ৰিলত বেন'নিৰ বিলোমুৰ পাৰ্কত অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**